# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 29-01-2026

**Time :** 18-45 Hrs

**ASSAMESE EVEN BULLETIN**

:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। গোলাঘাট আৰু টিয়ক সমষ্টিত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ ৩৬ হাজাৰ ৮৭৩ গৰাকী মহিলাৰ মাজত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ দুদিনীয়া ভ্ৰমণসূচীৰে আজি সন্ধিয়া অসম আগমন। কাইলৈ গৃহমন্ত্ৰীৰ ডিব্ৰুগড়ত অসম বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা স্থাপন কাৰ্যসূচী।

৩। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ লোকসভাত অৰ্থনৈতিক সমীক্ষা দাখিল।

৪। ৰাজ্যৰ বিভিন্ন স্থানত গাঁওৰক্ষী সংগঠনৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন। ***আৰু***

৪। সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত কাইলৈ এখন গুৰুত্বপূৰ্ণ খেলত অসম আৰু পশ্চিমবংগ মুখামুখি।

ooooo

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট আৰু টিয়ক বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ৩৬ হাজাৰ ৮৭৩ গৰাকী মহিলাৰ মাজত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ কৰে। টিয়ক সমষ্টিত হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে তেওঁ আজি এই সমষ্টিটোকে ধৰি মুঠ ১০০ টা সমষ্টিত ২৫ লাখ হিতাধিকাৰীৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ কৰিছে। ৬ ফেব্ৰুৱাৰীৰ পূৰ্বে বাকী থকা ২৬ টা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিত অভিযানৰ চেক বিতৰণ সম্পূৰ্ণ কৰা হ'ব বুলিও তেওঁ কয়।

আনহাতে, গোলাঘাটত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতাৰ চেক বিতৰণ কৰাৰ লগতে তেওঁ জিলাখনত ৩১৩ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰে। তেওঁ প্ৰথমে গোলাঘাটৰ নৱনিৰ্মিত সংহত জিলা আয়ুক্তৰ কাৰ্যালয় উদ্বোধন কৰে। ইয়াৰ পাছত মুখ্যমন্ত্ৰীয়ে ৪ কোটি টকা ব্যয়ৰে নিৰ্মিত মুকলি প্ৰেক্ষাগৃহ, ৭ কোটি টকা ব্যয় সাপেক্ষ বালিজান উচ্চতৰ মাধমিক বিদ্যালয়ৰ নতুন ভৱন আৰু ৪ কোটি টকা ব্যয়ৰে নিৰ্মিত চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱনো মুকলি কৰে। মুখ্যমন্ত্ৰীয়ে এই কাৰ্যসূচীতে ১০৪ কোটি টকা ব্যয় সাপেক্ষ গোলাঘাট-মেৰাপানী পথ আৰু ১০৬ কোটি টকা ব্যয় সাপেক্ষ পদুমণি-ৰঙাজান পথো মুকলি কৰে। কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰী শৰ্মাই বিজেপি আৰু অগপৰ নিৰ্বাচনী মিত্ৰতা সম্পৰ্কীয় গুৰুত্বপূৰ্ণ মন্তব্য কৰে। তেওঁ কয় যে পঞ্চায়ত নিৰ্বাচনকে ধৰি কেইবাটাও নিৰ্বাচনত বিজেপি আৰু অগপই বুজাবুজিৰে প্ৰতিদ্বন্দিতা কৰিছে। তেনে ক্ষেত্ৰত দুয়োটা দলৰ

মাজত বিধানসভা নিৰ্বাচনক লৈ কোনো ধৰণৰ সংঘাট নাই বুলি তেওঁ কয়। দুয়োটা দলেই বুজাবুজিৰ মাজেৰে বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব বুলি তেওঁ কয়।

বাইট ঃ মুখ্যমন্ত্ৰী

ইপিনে, কোকৰাঝাৰৰ পুৰণি বজাৰত আজি ২৪ হাজাৰ ৯৮৪ গৰাকী মহিলাৰ মাজত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ কৰা হয়। বিটিচিৰ মুৰববী হাগ্ৰামা মহিলাৰী আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই হিতাধিকাৰী মহিলাসকলৰ মাজত আনুষ্ঠানিকভাৱে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ কৰে।

00000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি নিশা দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। এই ভ্ৰমণকালত তেওঁ ডিব্ৰুগড়ত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কাইলৈ ডিব্ৰুগড়ত অসম বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা স্থাপন কৰিব। ২৮৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই চৌহদৰ ভিতৰত বিধান সভা ভৱন, বিধায়কৰ আবাস গৃহ, প্ৰেক্ষাগৃহ আৰু বেৰেক থাকিব। তেওঁ লগতে জিলাখনৰ ক্ৰীড়া খণ্ডত নতুন যুগৰ সূচনাৰে খনিকৰত বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰাৰ উপৰি দ্বিতীয় পৰ্যায়ৰ কামৰ আধাৰশিলা স্থাপন কৰিব। মুঠ ৪৪৭ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ত ২৩৮ কোটি টকা ব্যয় সাপেক্ষে ইনড'ৰ ষ্টেডিয়াম, ফুটবল খেলপথাৰ, দুখন লন টেনিছ ক'ৰ্ট, দুখন ভলীবল ক'ৰ্ট, এখন বাস্কেটবল ক'ৰ্ট, ছুইমিং পুল, ল'ৰা-ছোৱালীৰ আবাস আদি নিৰ্মাণ কৰা হৈছে। খনিকৰ পেৰেড গ্ৰাউণ্ডত কাইলৈ দিনৰ ১১ বজাত হ'বলগীয়া এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচা উপস্থিত থাকিব।

শ্ৰীশ্বাহে এই অনুষ্ঠানতে উত্তৰ-পূৰ্বাঞ্চলত বন্যপ্ৰাণী সংৰক্ষণৰ অভিলাষী পদক্ষেপ হিচাপে ডিব্ৰুগড়ৰ দিনজানত বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰিব। ২৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই প্ৰতিষ্ঠানত বন্যপ্ৰাণী, স্বাস্থ্য নিৰীক্ষণ, বিভিন্ন প্ৰকাৰৰ ৰোগ নিৰ্ণয়, উন্নত পৰীক্ষাগাৰৰ সুবিধা থকাৰ লগতে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত কাম কৰা পেচাদাৰী লোকসকলক প্ৰশিক্ষণৰো ব্যৱস্থা থাকিব।

শ্ৰীশ্বাহে কাইলৈ বিয়লি ধেমাজিত মিছিং যুৱ মহোৎসৱৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। সন্ধিয়াৰ ভাগলৈ তেওঁ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত ৰাজনৈতিক আলোচনাত অংশ ল'ব। গৃহমন্ত্ৰী অমিত শ্বাহৰ ডিব্ৰুগড় ভ্ৰমণৰ প্ৰস্তুতিৰ বুজ লৈ মন্ত্ৰী প্ৰশান্ত ফুকনে এইদৰে কয়ঃ

বাইট ঃ প্ৰশান্ত ফুকন

00000

২০২৬ বিত্তীয় বৰ্ষত দেশৰ প্ৰকৃত মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ হাৰ ৭ দশমিক ৪ শতাংশ হব পাৰে আৰু ২০২৭ বিত্তীয় বৰ্ষত এই হাৰ ৬ দশমিক ৮ ৰ পৰা ৭ দশমিক ২ শতাংশৰ ভিতৰত থকাৰ সম্ভাৱনা আছে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে লোকসভাত দাখিল কৰা অৰ্থনৈতিক সমীক্ষাত এই অনুমান কৰা হৈছে।

অৰ্থনৈতিক সমীক্ষা অনুসৰি ২০২৬ বিত্তীয় বৰ্ষতো দেশৰ শক্তিশালী বিকাশ ধাৰা বৰ্তি থাকিব। প্ৰকৃত মুল ঘৰুৱা উৎপাদনৰ প্ৰথমটো অগ্ৰীম অনুমানত মূলতঃ ঘৰুৱা চাহিদা বৃদ্ধিৰ বাবেই এই হাৰ ৭ দশমিক ৪ শতাংশ

হ'ব পাৰে বুলি কোৱা হৈছে। অৰ্থনৈতিক সমীক্ষাত ভূ-ৰাজনৈতিক উত্তেজনা আৰু গুৰুত্বপূৰ্ণ অৰ্থব্যৱস্থাসমূহৰ মাজত বাণিজ্য ক্ষেত্ৰত সৃষ্টি হোৱা বাধাৰ বাবে গোলকীয় অৰ্থনৈতিক বাতাবৰণ অনিশ্চিত হৈ থাকিব বুলি উল্লেখ কৰা হৈছে।

ooooo

ৰাজ্যৰ বিভিন্ন স্থানত গাঁওৰক্ষী সংগঠনৰ আজি ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হৈছে। প্ৰতিষ্ঠা দিৱস উপলক্ষে মঙলদৈত আজি গাঁওৰক্ষী সংগঠনৰ পতাকা উত্তোলন, সংগঠনৰ প্ৰতিষ্ঠাপক প্ৰয়াত হৰিনাৰায়ণ বৰুৱালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন, মুকলি সভা আদি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মুকলি সভাত দৰং জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। জ্যেষ্ঠ আৰক্ষী অধীক্ষকগৰাকীয়ে তেওঁৰ ভাষণত কয় যে সমাজত অপৰাধজনিত ঘটনা নিয়ন্ত্ৰণত আৰক্ষীৰ সহযোগত গাঁও সংগঠনৰ সদস্যসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। এই সংগঠনৰ সদস্যসকলে পাৰিতোষিক অবিহনে সমাজৰ হকে, দেশৰ হকে নিঃস্বাৰ্থ সেৱা আগবঢ়াই অহা কাৰ্যক তেওঁ প্ৰশংসা কৰে। সমাগত নিৰ্বাচনৰ সময়ত অধিক সজাগ, সচেতন হৈ শান্তি-শৃংখলা বজাই ৰখাত আৰক্ষীক সহযোগ আগবঢ়াবলৈ তেওঁ গাঁওৰক্ষী সদস্যসকলক আহ্বান জনায়।

ooooo

বিধায়ক উৎপল বৰাই আজি গ্ৰাম্য আন্তঃগাথনি উন্নয়ন পুঁজিৰ জৰিয়তে নিৰ্মাণ হ'বলগীয়া গহপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় গৃহৰ আধাৰশিলা স্থাপন কৰে। এই অনুষ্ঠানত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, পৰিচালনা সমিতিৰ বিষয়ববীয়া আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। উল্লেখযোগ্য যে গ্ৰাম্য আন্তঃগাথনি উন্নয়ন পুজিৰ জৰিয়তে বিদ্যালয়খনৰ মধ্যাহ্ন ভোজনৰ ৰান্ধনি গৃহ, ভোজন গৃহ, চাইকেল ষ্টেণ্ড আদি নিৰ্মাণ কৰাৰ লগতে বিদ্যালয়ৰ প্ৰয়োজনীয় আচবাব ক্ৰয় কৰা হ'ব।

ooooo

অসম চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যান বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি গোগামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৫১ লাখ ২১ হাজাৰ টকা ব্যয় সাপেক্ষ নিৰ্মাণ হ'বলগীয়া দুটা অতিৰিক্ত শ্ৰেণীকোঠা আৰু আধুনিক বিজ্ঞান সন্মত পৰীক্ষাগাৰ উদ্বোধন কৰে। মন্ত্ৰী ডাঃ পেগুৱে বিদ্যালয়খনত নিৰ্মাণ হবলগীয়া অতিৰিক্ত শ্ৰেণীকোঠা আৰু আধুনিক বিজ্ঞান সন্মত পৰীক্ষাগাৰে শিক্ষাৰ্থীসকলৰ বাবে উন্নত শৈক্ষিক পৰিবেশ নিশ্চিত কৰাৰ লগতে বিজ্ঞানভিত্তিক শিক্ষাক অধিক প্ৰয়োগমুখী কৰি তুলিব বুলি আশা প্ৰকাশ কৰে।

ooooo

অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটৰ আকাশবাণী গুৱাহাটীৰ 'দৃষ্টিপাত' অনুষ্ঠানত পদপথত আশ্ৰিত শিশুৰ সুৰক্ষা আৰু ভৱিষ্যত শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত সক্ৰিয় শিশু অধিকাৰ কৰ্মী তথা সামাজিক বিশ্লেষক জিতু দত্ত আৰু শিশু সুৰক্ষাৰ বাবে কাম কৰি অহা সংস্থা কেয়াৰ ইউ-৩৬৫ ৰ মুৰব্বী ভৃগু বৰঠাকুৰে অংশগ্ৰহণ কৰিব। অনুষ্ঠানৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

কামৰূপ জিলাৰ বকোত খাদ্যত বিষক্রিয়া হৈ ৩৪ গৰাকী লোক চিকিৎসাধীন হবলগীয়া হৈছে। ইয়াৰে ৫ গৰাকী লোকক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। বকোৰ জবেপাৰা, ৰংচেপাৰা আৰু ভোগদাবাৰী গাঁৱৰ শতাধিক লোক খাদ্যৰ বিষক্রিয়াত আক্রান্ত হৈছিল। যোৱা মঙলবাৰৰ পৰা আক্রান্ত লোকসকল চিকিৎলায়ত ভৰ্তি হৈছে। কামৰূপ জিলা আয়ুক্তৰ নিৰ্দেশ মৰ্মে স্বাস্থ্য বিভাগৰ এটা দল ইতিমধ্যে বিষক্রিয়াত আক্রান্ত হোৱা লোকসকলৰ গাঁৱত উপস্থিত হৈ আক্রান্ত লোকসকলৰ স্বাস্থ্যৰ বুজ লৈছে। স্বাস্থ্য  বিভাগৰ দলটোৱে গাওঁখনৰ পানী, ৰোগীৰ মল মুত্ৰ, তেজৰ নমুনা, খাদ্য আদি সংগ্ৰহ কৰিছে। এই সন্দৰ্ভত কামৰূপ জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ অজিত দাসে এইদৰে কয়।

বাইটঃ অজিত দাস

ooooo

ভূটানৰ ৰাণী আছি দৰ্জি ৱাংমো ৱাংছুকলৈ ২০২৫ বৰ্ষৰ উপেন্দ্ৰ নাথ ব্ৰহ্ম মানৱতাৰ সৈনিক বঁটা আগবঢ়োৱা হৈছে। ৩ ফেব্ৰুৱাৰীত বড়োলেণ্ড বিশ্ববিদ্যালয়ত হ'বলগীয়া এটা অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হ'ব। মানৱজাতিৰ কল্যানৰ বাবে আগবঢ়োৱা অতুলনীয় অৱদানৰ বাবে শ্ৰীমতী ৱাংছুকক এই বঁটাৰ বাবে বাচনি কৰা হৈছে। উল্লেখযোগ্য যে সমাজ কল্যান, গ্ৰামাঞ্চলৰ উন্নয়ন আৰু সাংস্কৃতিক সংৰক্ষণৰ ক্ষেত্ৰত আগবঢ়োৱা বিশেষ অৱদানৰ বাবে এই সন্মান আগবঢ়োৱা হয়।

ooooo

টংলা বিধানসভা সমষ্টিৰ অন্তৰ্গত ভূটিয়াচাং চাহ বাগিছাত ৰাজ্য চৰকাৰৰ এটি কলি দুটি পাত আঁচনিৰ অধীনত চাহ শ্ৰমিকসকলৰ মাজত আজি এককালীন সাহায্যৰ চেক বিতৰণ কৰা হয়। এই কাৰ্যসূচীত ভাৰতীয় জনতা পাৰ্টীৰ সংখ্যালঘু কোষৰ সভাপতি শান্তিয়াছ কুজুৰ, হৰিশিঙাৰ ৰাজহ চক্ৰ বিষয়া মদিৰা বেগমকে ধৰি কেইবাগৰাকীও লোকে অংশগ্ৰহণ কৰে।

ooooo

বিমান দুৰ্ঘটনাত কালি মৃত্যু হোৱা মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰৰ অন্ত্যেষ্টিক্রিয়া আজি পুণেৰ বাৰামতীত সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন হয়। পাৱাৰৰ অন্ত্যেষ্টিক্রিয়াত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নবিছ আৰু ৰাজ্যিক মন্ত্ৰীসভাৰ অন্যান্য সদস্যসকল উপস্থিত থাকে।

ooooo

৭৯ সংখ্যক সন্তোষ ট্ৰফীৰ মূল ৰাউণ্ডৰ গ্ৰুপ বিৰ আজিৰ এখন খেলত ৰে'লৱে দলে ওড়িশা দলৰ সৈতে ১-১ গ'লৰ ব্যৱধানত ড্ৰ খেলে।

চিলাপথাৰত হোৱা দিনটোৰ প্ৰথমখন খেলত ৰে'লৱে দলৰ সুব্ৰত মুৰ্মুৱে ওড়িশাৰ বিৰুদ্ধে এটা গ'ল দিয়ে। দ্বিতীয়াৰ্ধত ওড়িশাৰ অৰ্পণ লাক্ৰাই ৰে'লৱে দলক এটা গ'ল দিয়ে, যাৰ ফলত খেলখন ১-১ গ'লৰ ব্যৱধানত অমীমাংসিতভাৱে সমাপ্ত হয়।

গ্ৰুপ বিৰ দ্বিতীয়খন খেলত কেৰালা দলে মেঘালয় দলক ৩-০ গ'লৰ ব্যৱধানত পৰাজিত কৰি কোৱাৰ্টাৰ ফাইনেলত নিজৰ স্থান নিশ্চিত কৰে। কেৰালা দলৰ হৈ প্ৰথমাৰ্ধৰ ৩৬ মিনিটত অৰ্জুন ভিয়ে গ'ল কৰে। দ্বিতীয়াৰ্ধত মহম্মদ ৰিয়াজ আৰু মহম্মদ আজছলে মেঘালয়ৰ বিৰুদ্ধে দুয়োজনেই এটাকৈ গ'ল দিয়ে। ইপিনে, পঞ্জাৱ দলে ছাৰ্ভিছেছ দলক ১-০ ব্যৱধানত পৰাজিত কৰে। গ্ৰুপ বিৰ বাকী পাঁচটা দলেই কোৱাৰ্টাৰ

ফাইনেলত স্থান লাভৰ সম্ভাৱনা আছে। গ্ৰুপ বিৰ ৩১ জানুৱাৰীত হ'বলগীয়া তিনিখন খেলৰ ফলাফলে দলসমূহৰ পৰৱৰ্তী স্থান নিশ্চিত কৰিব। আনহাতে, অসম দলে কাইলৈ পশ্চিম বংগৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ঢকুৱাখনাৰ বিষ্টুৰাম দলে খেলপথাৰত দিনৰ ২ বজাৰ পৰা খেলখন অনুষ্ঠিত হ'ব। এইখন খেলত বিজয়ী হ'লে অসম দলে পোনপটীয়াকৈ কোৱাৰ্টাৰ ফাইনেলত নিজৰ স্থান নিশ্চিত কৰিব। আন এখন খেলত ৰাজস্থান দলে নাগালেণ্ড দলৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে উত্তৰাখণ্ড দলে তামিলনাডুৰ বিৰুদ্ধে খেলিব।

ooooo

ঃঃ সমাপ্ত ঃঃ